بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

# আঁহজৰত (ছাঃ)ৰ আল্লাহৰ প্ৰতি ভালপোৱাৰ ঈমান উদ্দীপক ঘটনাসমূহৰ বৰ্ণনা

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ৩০ জানুৱাৰী ২০২৬ চনত মছজিদ মোবাৰক ইছলামাবাদ ইউ.কেত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

أَشْهَدُ أَنْ لَا إِلَهَ إِلَّا اللّٰهُ وَحْدَهُ لَا شَرِيكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُولُهُ أَمَّا بَعْدُ فَأَعُوذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ. بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ. اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ. الرَّحْمٰنِ الرَّحِيْمِ. مٰلِكِ يَوْمِ الدِّيْنِ. اِيَّاكَ نَعْبُدُ وَاِيَّاكَ نَسْتَعِيْنُ. اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ. صِرَاطَ الَّذِيْنَ اَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ.

তাছাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে, হজৰত মহম্মদ (ছাঃ)ৰ আল্লাহৰ প্ৰতি ভালপোৱাৰ অসংখ্য ঘটনাসমূহ আছে। অৰ্থাৎ তেখেত (ছাঃ)ৰ প্ৰতিটো কৰ্ম আৰু ঘটনাই এই কথা প্ৰকাশ কৰে যে তেখেত (ছাঃ)ৰ হৃদয়ত সদায় আল্লাহৰ প্ৰতি প্ৰেমৰ এক সমুদ্ৰ বিৰাজমান কৰিছিল। তাৰ এটা দৃশ্য উহুদৰ যুদ্ধত, য'ত তেখেত (ছাঃ)ৰ আল্লাহৰ প্ৰতি ভালপোৱাৰ এক অদ্ভুত আৰু অনন্য ৰূপ দেখিবলৈ পোৱা যায়।

হজৰত বাৰাআ (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে উহুদৰ দিনা আমি পৌত্তলিক সকলৰ মুখামুখি হৈছিলো। নবী কৰিম (ছাঃ)য়ে ধনুৰ্বিদ্যাত পাকৈত এটা দল নিয়োগ কৰি হজৰত আব্দুল্লাহ বিন বাৰাআ (ৰাঃ)ক এই দলৰ আমিৰ নিযুক্ত কৰি নিৰ্দেশ দিছিল যে যেতিয়া তোমালোকে দেখা পোৱা যে আমি শত্ৰুসকলৰ ওপৰত জয় লাভ কৰিছোঁ, তথাপি সেই ঠাই এৰি নাযাবা, আৰু যদি দেখা পোৱা যে আমি তেওঁলোকৰ সন্মুখত পৰাজয় হৈছো, তথাপি আমাক সহায় কৰিবলৈ আগবাঢ়ি নাহিবা। অৰ্থাৎ বিজয় আৰু পৰাজয় দুয়ো অৱস্থাতে তোমালোকে নিজৰ ঠাই নেৰিবা। বৰ্ণনাকাৰীয়ে কয় যে যেতিয়া আমাৰ সৈতে যুদ্ধ হৈছিল, তেতিয়া শত্ৰুসকলে পলায়ন কৰিছিল। মই পৌত্তলিক মহিলাসকলক দেখিবলৈ পালো যে তেওঁলোকে পাহাৰৰ ফালে পলায়ন কৰি আছিল। মুছলমান সকলে ক'ব ধৰিলে যে যুদ্ধলব্দ, যুদ্ধলব্দ। হজৰত আব্দুল্লাহ (ৰাঃ)য়ে তেওঁলোকক আগবাঢ়িবলৈ বাধা দি কৈছিল যে নবী কৰিম (ছাঃ)য়ে মোক নিৰ্দেশ দিছে যে তোমালোকে নিজৰ ঠাই নেৰিবা। যেতিয়া মুছলমান সকলে সেই ঠাই এৰি যুদ্ধলব্দৰ ফালে গৈছিল তেতিয়া আল্লাহ তা'লাই মুছলমান

সকলৰ পৰা মুখখন ঘূৰাই লৈছিল। যুদ্ধৰ পৰিস্থিতি হঠাতে সলনি হৈ গ'ল, যাৰ ফলত শত্ৰুসকলে পুনৰায় আক্ৰমণ কৰিলে, ইয়াৰ ফলত ৭০ জন মুছলমান শ্বহীদ হৈছিল। বৰ্ণনাকাৰীয়ে কৈছে, সেই সময়ছোৱাত নবী কৰিম (ছাঃ)য়ে নিজৰ চাহাবা সলকৰ সৈতে পাহাৰৰ এফালে আশ্ৰয় লৈছিল। তেতিয়া আবু ছুফিয়ানে এটা ওখ পাহাৰৰ ওপৰত উঠি উচ্চস্বৰে কৈছিল যে তোমালোকৰ মাজত মহম্মদ (ছাঃ) আছেনে? তেখেত (ছাঃ)য়ে চাহাবাসকলক কৈছিল যে কোনো উত্তৰ নিদিবা। আকৌ আবু ছুফিয়ানে কৈছিল যে তোমালোকৰ মাজত ইবনে আবি কাহাফা আছেনে? তেখেত (ছাঃ)য়ে কৈছিল যে কোনো উত্তৰ নিদিবা। আকৌ আবু ছুফিয়ানে কৈছিল যে উমৰ বিন খাত্তাব তোমালোকৰ মাজত আছেনে? কোনেও ইয়াৰ উত্তৰ দিয়া নাছিল। তেতিয়া আবু ছুফিয়ানে কৈছিল যে সকলোৱে হত্যা হৈছে। যদি জীৱিত থাকিলেহেঁতেন, তেন্তে নিশ্চয় উত্তৰ দিলেহেঁতেন। হজৰত উমৰ (ৰাঃ)য়ে নিজকে নিয়ন্ত্ৰণ কৰিব নোৱাৰি কৈছিল, হে আল্লাহৰ শত্ৰু! তুমি মিছা কৈছা, আল্লাই তোমাৰ প্ৰতিদ্বন্দ্বিতাত তেখেতক জীৱিত ৰাখিছে, আৰু তোমাক নিশ্চয় অপমান কৰিব। আবু ছুফিয়ানে হুবলৰ জয়ধ্বনি দিছিল, তেতিয়া নবী কৰিম (ছাঃ)য়ে ব্যাকুল হৈ কৈছিল, তোমালোকে ইয়াৰ উত্তৰ দিয়া। চাহাবাসকলে কৈছিল যে আমি কি উত্তৰ দিম? তেখেত (ছাঃ)য়ে কৈছিল যে আল্লাহ সৰ্বোচ্চ আৰু সৰ্বোত্তম বুলি কোৱা। আবু ছুফিয়ানে কৈছিল যে আমাৰ বাবে উজ্জা আছে, তোমালোকৰ উজ্জা নাই। নবী কৰিম (ছাঃ)য়ে কৈছিল যে ইয়াৰ উত্তৰ দিয়া, চাহাবাসকলে কৈছিল, আমি কি উত্তৰ দিম? তেখেত (ছাঃ)য়ে কৈছিল, তোমালোকে কোৱা, আল্লাহ আমাৰ সহায়ক, তোমালোকৰ কোনো সহায়ক নাই।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে, তেখেত (ছাঃ)য়ে আল্লাহৰ প্ৰতি থকা প্ৰেমত কোনো শ্বিৰকৰ স্থান নাছিল। হুজুৰ কৈছে, তেখেত (ছাঃ)য়ে এই চিন্তাত আছিল যে লোকসকলে যেন কবৰক পূজাৰ স্থান বুলি গণ্য নকৰে। কিন্তু দুৰ্ভাগ্যজনকভাৱে আজিও ইয়াৰ বিপৰীতে কাম কৰি আছে। মুছলমান সকলে পীৰ আৰু ফকীৰৰ কবৰত গৈ পূজা কৰে আৰু ছিজদা কৰে।

হজৰত আয়শা (ৰাঃ)য়ে বৰ্ণনা কৰি কয় যে নবী কৰিম (ছাঃ)অসুস্থ অৱস্থাত মৃত্যুৰ অন্তিম অৱস্থাত এই দোৱা কৰিছিল, আল্লাহ ইহুদী আৰু খ্ৰীষ্টানসকলক লাঞ্চিত কৰক, তেওঁলোকৰ নবীসকলৰ কবৰক মছজিদ হিচাপে ব্যৱহাৰ কৰিছে। হজৰত আয়শা (ৰাঃ)য়ে কৈছে, তেখেত (ছাঃ)য়ে যদি এই কথাষাৰ নকলেহেঁতেন, তেন্তে তেখেত (ছাঃ)ৰ কবৰখন মুকলি ৰাখিলেহেঁতেন। কিন্তু মই ভয় কৰো যে লোকসকলে যেন কবৰখনক মছজিদ বনাই নলয়, সেই কাৰণে তাত মুকলি ঠাই ৰখা হোৱা নাই। হুজুৰ কৈছে, বৰ্তমান তাৰ চৰকাৰে কবৰখনৰ চাৰিওফালে নিয়মিত সুৰক্ষা ব্যৱস্থা গ্ৰহণ কৰি ৰাখিছে, অৰণ্য আছে, দেৱাল আছে, যাতে কোনো ধৰণৰ শ্বিৰকে স্থান ল'ব নোৱাৰে। এইটো তেওঁলোকে নিশ্চয় ভাল কাম কৰিছে।

আকৌ হুজুৰ কৈছে, খোদাৰ তৌহিদ বা একত্ববাদ বুলি এটা বৰ্ণনা আছে, হজৰত আবি কাআব (ৰাঃ)ৰ পৰা বৰ্ণিত যে পৌত্তলিক সকলে ৰছুলে কৰিম (ছাঃ)ক কৈছিল, আপুনি নিজৰ প্ৰভুৰ বংশধৰৰ বিষয়ে আমাক জনাওক। ইয়াৰ উত্তৰত আল্লাহ তা'লাই আয়াত অৱতীৰ্ণ কৰে, **কুলহু আল্লাহু আহাদ, আল্লাহুচ্ছামাদ,** অৰ্থাৎ আল্লাহ এক, স্বনিৰ্ভৰশীল। সেইজনাক কোনোবাই জন্ম দিয়া নাই আৰু নে কাৰো পৰা জন্ম লৈছে? যি বস্তুই সৃষ্টি হৈছে, সেয়া নিশ্চয় মৰিব, যিয়ে মৰিব, তেওঁৰ নিশ্চয় কোনোবা উত্তৰাধিকাৰী হ'ব। আল্লাহ তা'লাৰ অস্তিত্ব এনেকুৱা যে সেইজনাই মৃত্যুবৰণ নকৰে আৰু কোনোবাই সেইজনাৰ উত্তৰাধিকাৰীও নহয়।

হুজুৰ কৈছে, হজৰত জায়েদ বিন খালিদ (ৰাঃ)য়ে বৰ্ণনা কৰিছে, ৰছুলে কৰিম (ছাঃ)য়ে হুদায়বিয়াহৰ নিশা বৰষুণ হোৱাৰ পিছত আমাক ফজৰৰ নামাজ পঢ়াইছিল। তেখেত (ছাঃ)য়ে নামাজ শেষ কৰি লোকসকলক

সম্বোধন কৰি কৈছিল যে তোমালোকে জানানে যে তোমালোকৰ প্ৰতিপালকে কি কৈছে ? লোকসকলে ক'লে যে আল্লাহ আৰু তাৰ ৰছুল উত্তম জানে। তেখেত (ছাঃ)য়ে কৈছিল, আল্লাহ তা'লাই কৈছে, আমাৰ বান্দাসকলৰ মাজৰ কিছুমান এনেকুৱা যিসকলে মোৰ ওপৰত বিশ্বাস স্থাপন কৰি ৰাতিপুৱা সাৰ পাইছিল আৰু কিছুমানে মোক অস্বীকাৰ কৰিছিল। অৰ্থাৎ লোকসকলৰ মাজৰ কিছুমান এনেকুৱা আছিল যিসকলে নিশাৰ বৰষুণ দেখি মোৰ ওপৰত বিশ্বাস স্থাপন কৰি ৰাতি পাৰ কৰিছিল আৰু কিছুমানে মোক অস্বীকাৰ কৰিছিল। যিসকলে এইটো কৈছিল যে আমাৰ ওপৰত আল্লাহৰ কৃপা আৰু দয়াৰ ফলত বৰষুণ হৈছে, তেওঁলোকে মোৰ ওপৰত বিশ্বাস স্থাপন কৰিছে, আৰু যিসকলে কৈছে যে তৰাবোৰৰ বাবে বৰষুণ হৈছে তেওঁলোকে মোক অস্বীকাৰ কৰিছে।

হজৰত মাহমুদ লবিব (ৰাঃ)ৰ পৰা বৰ্ণিত যে ৰছুলে কৰিম (ছাঃ)য়ে কৈছে, মোৰ তোমালোকৰ প্ৰতি আটাইতকৈ বেছি ভয় হৈছে সৰু সৰু শ্বিৰক। চাহাবাসকলে সুধিলে যে সৰু শ্বিৰক কি ? তেখেত (ছাঃ)য়ে কৈছে সেয়া হৈছে ৰিয়া, অৰ্থাৎ প্ৰদৰ্শনীয়তা। গতিকে আমি নিজৰে পৰ্যালোচনা কৰা উচিত। কিয়নো কিয়ামতৰ দিনা কোনো মাধ্যমেই আমাৰ বাবে কামত নাহিব। অৰ্থাৎ ৰছুলে কৰিম (ছাঃ)ৰ অনুসৰণ কৰাটোৰে আল্লাহ তা'লাই পছন্দ কৰে।

হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে কৈছে, ৰছুলে কৰিম (ছাঃ)ৰ জীৱনীলৈ লক্ষ্য কৰক, তেখেতে কিদৰে সততাৰ ওপৰত প্ৰতিষ্ঠিত আছিল। সকলো মানুহতকৈ অধিক পৰিপূৰ্ণ হোৱা সত্ত্বেও তেখেত (ছাঃ)য়ে কিদৰে সাৱধানতা অৱলম্বন কৰিছিল। কিদৰে খোদাক ভয় কৰিছিল। সকলো প্ৰকাৰ পাপৰ পৰা পৱিত্ৰ আছিল। ইমান পৱিত্ৰতা আৰু বিশুদ্ধতা সত্ত্বেও সদায় আল্লাহৰ প্ৰতি ভয় কৰিছিল। পুণ্য কাম কৰি গৈছিল, উচ্চৰ পৰা উচ্চ পৰ্যায়ৰ কাম সম্পাদন কৰিছিল। ধাৰাবাহিকভাৱে পুণ্য কাম কৰি গৈছিল, বেয়াৰ প্ৰশ্নই উত্থাপন হোৱা নাছিল। কোনো ধৰণৰ শংকাও নাছিল। সদায় আল্লাহৰ উপাসনাত মগ্ন থাকিছিল। খোদাৰ প্ৰতি বহুত ভয় কৰিছিল। এয়া সত্ত্বেও নিজৰ ফালৰ পৰা যথাসম্ভৱ সাৱধানতা অৱলম্বন কৰিছিল, খোদা তা'লাৰ মহিমা দেখিছে, খোদাৰ সান্নিধ্য লাভৰ বাবে নিজৰ সকলোবোৰ কাম সম্পাদন কৰি ক্ষমা বিচাৰিছে, আৰু তৌবা কৰিছে। গতিকে খোদাৰ প্ৰতি ভালপোৱাৰ এনে দৃশ্য আছিল যে সদায় মুখত আল্লাহৰ কথা স্মৰণ কৰি থাকিছিল।

হজৰত ছামৰা বিন জানদাবৰ পৰা বৰ্ণিত, নবী কৰিম (ছাঃ)য়ে কৈছে, চাৰিটা কথা সকলোবোৰ কালামতকৈ শ্ৰেষ্ঠ, সেই বাক্যৰে যেতিয়া আৰম্ভণি কৰিবা তেতিয়া কোনো ক্ষতিৰ সন্মুখীন নহ'বা। যদি সেই বাক্যৰে আৰম্ভ কৰা তেন্তে কাম উত্তম আৰু কল্যাণময় হ'ব। সেয়া কি ? প্ৰথম- ছুবহানাল্লাহ, দ্বিতীয়- আলহামদুলিল্লাহ, তৃতীয়- লা ইলাহা ইল্লাল্লাহু, চতুৰ্থ- আল্লাহু আকবৰ। অৰ্থাৎ আল্লাহ পৱিত্ৰ। গতিকে এই কথাবোৰৰ প্ৰতি সদায় লক্ষ্য ৰাখিবা আৰু কাম কৰা সময়ত এই কথাবোৰ সদায় সন্মুখত ৰাখিবা তেতিয়া সেই কামত কল্যাণ বৰ্ষিত হ'ব।

হজৰত আবু বকৰাহৰ পৰা বৰ্ণিত ৰছুলে কৰিম (ছাঃ)য়ে কৈছে, যেতিয়া কোনো আনন্দময় কথা উত্থাপন হয় তেতিয়া আল্লাহৰ ধন্যবাদ জ্ঞাপন কৰি ছিজদা কৰিবা।

হজৰত মাআজ বিন জাবল (ৰাঃ)ৰ পৰা বৰ্ণিত যে ৰছুলে কৰিম (ছাঃ)য়ে কৈছে, আল্লাহৰ স্মৰণতকৈ আন কোনো ডাঙৰ বস্তু নাই, যিয়ে আল্লাহৰ শাস্তিৰ পৰা পৰিত্ৰাণ দিব পাৰিব। হজৰত আয়শা (ৰাঃ)য়ে এঠাইত কৈছে যে মোৰ ঘৰত, মোৰ ওচৰত থকা অৱস্থাত, মোৰ বুকুত আৰু মোৰ কণ্ঠৰ মাজত থাকি মৃত্যু

হোৱাটোৱে মোৰ ওপৰত আল্লাহ তা'লাৰ অনুগ্ৰহ। আল্লাহ তা'লাই তেখেত (ছাঃ)ৰ মৃত্যুৰ সময়ত মোৰ লালী আৰু তেখেত (ছাঃ)ৰ লালী একত্ৰিত কৰিছে। সেয়া হৈছে এইটো যে আব্দুৰ ৰহমান মোৰ ওচৰলৈ আহিছিল আৰু তেওঁৰ হাতত মিছ্ৱাক আছিল। তেওঁ ৰছুলে কৰিম (ছাঃ)ক সহাৰি দি আছিল। মই দেখা পালো তেখেত (ছাঃ)য়ে তেওঁৰ ফালে চাই আছে, মই জানিব পাৰিছিলো যে তেখেত (ছাঃ)য়ে ব্ৰুছ কৰা পছন্দ কৰিছিল। মই কলো যে মই এই ব্ৰুছটো আপোনাৰ বাবে আনিম নে ? তেখেত (ছাঃ)য়ে মূৰৰ দ্বাৰা হয় বুলি কৈছিল। যেতিয়া মই সেই ব্ৰুছখন দিলো, সেয়া তেখেত (ছাঃ)ৰ বাবে টান লাগিছিল। মই কৈছিলো যে এইটো আপোনাৰ বাবে কোমল কৰি দিম নে ? তেখেত (ছাঃ)য়ে মূৰৰ দ্বাৰা ইংগিত কৰি হয় বুলি কৈছিল। তেখেত (ছাঃ)ৰ সন্মুখত পানীৰ পাত্ৰ আছিল। তেখেত (ছাঃ)য়ে নিজৰ হাতখন পানীত ৰাখি তাৰ পিছত হাতখন নিজৰ মুখমণ্ডলত ঘূৰাই কৈছিল যে **লা ইলাহা ইল্লাল্লাহ**, আল্লাহৰ বাহিৰে আন কোনো উপাস্য নাই, যদিও মৃত্যু ওচৰ চাপি আহিছে। তাৰ পিছত তেখেত (ছাঃ)য়ে নিজৰ হাত উঠাই কৈছিল যে **ৰাফিকুল আলা,** ইয়াৰ পিছত তেখেত (ছাঃ) মৃত্যুবৰণ কৰে, আৰু তেখেত (ছাঃ)ৰ হাত তললৈ নামি আহে।

হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে, আঁহজৰত (ছাঃ)ক খোদা তা'লাই অন্তিম সময়ত এই অধিকাৰ প্ৰদান কৰিছিল যে যদি তুমি পৃথিৱীত থাকিব বিচৰা, তেন্তে থাকক আৰু যদি মোৰ ওচৰলৈ আহিব বিচৰা তেন্তে আহক। তেখেত (ছাঃ)য়ে কৈছিল, হে মোৰ প্ৰতিপালক ! মই তোমাৰ ফালে যাব বিচাৰো, শেষ মুহূৰ্তত যেতিয়া তেখেত (ছাঃ)য়ে পৃথিৱীৰ পৰা বিদায় লৈছিল, তেতিয়া এই বাক্যষাৰ কৈছিল যে **বিৰৰাফিকুল আলা,** অৰ্থাৎ এতিয়া এই জগতত আৰু থাকিব নিবিচাৰো, নিজৰ প্ৰভুৰ ওচৰলৈ যাব বিচাৰো।

**আল্লাহুম্মা চাল্লি আলা মুহাম্মাদিন ওৱা বাৰিক ওৱা ছাল্লিম ইন্নাকা হামিদুম মাজিদ-**

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَن يَّهْدِهِ اللّٰهُ فَلاَ مُضِلَّ لَهٗ وَمَنْ يُّضْلِلْهُ فَلاَ هَادِيَ لَهٗ وَنَشْهَدُ اَنْ لَّا اِلٰهَ اِلاَّ اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ، عِبَادَ اللّٰهِ رحمكم الله اِنَّ اللّٰهَ يَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِى الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ۔

**ASSAMESE KHULASA KHUTBA JUMA HUZUR ANWAR aba 30 JANUARY 2026**

**BOOK POST (PRINTED MATTER)**

TO,

..........................................................................................................................
..........................................................................................................................
..........................................................................................................................

**NASHOR-O ISHAAT QADIAN, DIST GURDASPUR,143516 PUNJAB**